4th Semester

09/04/2021

# Sankardevacarita

## Translation :—

① ~~বিশ্ব~~

① বিশ্বসিংহ ৰজাৰ কমতা নামেৰে ৰাজ্যত বাণ্ডুকা নামৰ ঠাইত গোবিন্দগিৰি নামৰ এজন কাকতি আছিল।

② সেইজন কাকতিয়েই বৰ্টদ্ৰৱালৈ আহি পুনৰ মনোৰমা নামৰ কন্যাৰ পানিগ্ৰহণ কৰিছিল।

③ ভূটীয়াসকলৰ উপদ্ৰৱত ভয় পাই তাৰপৰা সপৰিবাৰে পলায়ন কৰিলে আৰু লুইতৰ পাৰৰ বালিচৰত আত্মগোপন কৰিলে।

④ আহোম ৰজাৰ এজন টেজীৰ নিজৰ নাৱেৰে সেইফালে আহি সাকোঁতে হঠাৎ গোবিন্দগিৰিক তেওঁৰ পত্নীৰ সৈতে দেখা পালে।

⑤ আৰু ঘৰ-বাৰী নোহোৱা গোবিন্দগিৰিক তেওঁৰ পত্নীৰ সৈতে ঘৰলৈ আনি আনন্দমনে আশ্ৰয় দিলে।

⑥ অসমৰ বা আহোমৰাজ্যৰ নাৰায়নপুৰত হৰসিংহৰ ঘৰত সকলোবোৰ ইন্দ্ৰিয়ক বশ কৰা সেই গোবিন গোবিন্দই পত্নীৰ সৈতে সুখেৰে বাস কৰিছিল।

⑦ ১৪১১ শকাব্দৰ জেঠ মাহৰ ৰবিবাৰ এটাত তেওঁৰ পুত্ৰ সন্তান জন্ম হ'ল।

09/08/২L

## Śaṅkaradevacarita

(8) তাতেই (হৰসিংহৰ ঘৰত) গোবিন্দৰ সেই মহান পুত্ৰ-সন্তান ডাঙৰ-দীঘল হ'বলৈ ধৰিলে আৰু মনত আনন্দ বঢ়ালে।

(9) তাৰপিছতে দুৰ্ভিক্ষ হোৱাত ঘাগৰ নামৰ এজন নাৱিকে (তেওঁক) অৰ্থাৎ গোবিন্দগিৰিক আৰু তেওঁৰ পৰিবাৰক হাবুং নামৰ ঠাইত আশ্ৰয় দিলে।

(10) সেই মহাত্মা ঘাগৰৰ সেই স্বৰ্গতুল্য গৃহত সাৰ্বৰৰ এজনী অতি সুন্দৰ জীয়েকৰ জন্ম হ'ল যাৰ নাম আছিল উৰ্বশী।

(11) বহুদিন এনেকৈ যোৱাত স্বজনজনে মনোমোহা ৰূপ-যৌৱনসম্পন্না গয়াপানিৰ সৈতে বিয়া দিয়ে।

(12) ৰোগাত আক্ৰান্ত হৈ মকা আৰ্থিৰৰ মাকৰ (মনোৰমা) মৃত্যুয়ে যেন তেওঁৰ চুলিত ধৰিলে আৰু তেওঁ শয্যাশায়ী হ'ল।

(13) তেওঁৰ আয়ুৰ মংগলৰ ইচ্ছা কৰা সেই আৰ্থিয়ে দুটা ছাগলী বলিদান দিবলৈ মনতে ভাৱিলে। তেওঁৰ মাক আৰোগ্য হোৱাৰ পাছত নিজৰ জীজোঁৱায়েকক দুটা ছাগলী বলি দিবলৈ আনিবলৈ কলে।

(14) বৈষ্ণৱ বা বিষ্ণুৰ উপাসক গয়াপানিয়ে ভক্তি ভ্ৰষ্ট হোৱাৰ ভয়ত নিজৰ জেঠেয়েকৰ

Sankaradevacarita 07/08/22

আদেশ নামানিলে আৰু ছাগলী হাল নানিলে।

(15) মাধৱ অতি ক্ৰোধিত হ'ল, গুৰু কঠোৰ বা টান কথা ক'লে। 'নামত তুমি শংকাৰ কিন্তু কি বুদ্ধিত আগলে' ইত্যাদি নানান কথা শুনালে।

(16) আৰু জেঠেৰেকে, 'মই তোমাক ৰাতিপুৱাই বধ দিলো কিয় মাৰিল সেই ছাগলী দুটা' এইবুলি প্ৰশ্ন পানিষেক ক'লে।

(17) ককাইদেউ দেৱতাৰ বাবে ছাগলী বধ কৰাটো উচিত নহয়। প্ৰাণী বধ কৰিলে মানুহ নৰকত প্ৰৱীত হ'ব নিশ্চিত।

(18) ভনী জোঁৱায়েকৰ কথা শুনি মাধৱৰ বহুত খং উঠিল, শংকৰদেৱৰ ওচৰলৈ যাবলৈ ওলাল তৰ্ক কৰিবৰ বাবে।

(19) টুপ মাকোঁতে তেওঁ চিন্তা কৰিলে যে কোন সেই শংকৰ, মোৰ দৰে দেৱীৰ উপাসকক সকলোৱে শ্ৰদ্ধা কৰে।

(20) মই তেওঁক নমস্কাৰ নজনাওঁ, তেওঁ মোতকৈ কেতিয়াও ওপৰ হ'ব নোৱাৰে। শংকৰে আজি মোক চিনি পাব।